আন্তঃৰাষ্ট্ৰীয়

নতুন পাছপ’টৰ আবেদন নাকচ বাংলাদেশৰ, শ্বেখ হাচিনাক ‘পলাতক সন্ত্রাসবাদী’ আখ্যা

নতুন পাছপ’ট আৰু NID বিচাৰি শ্বেখ হাচিনাই কৰা আবেদন নাকচ কৰিছে বাংলাদেশ চৰকাৰে। হুমায়ুন কবিৰে তেওঁক ‘পলাতক অপৰাধী’ আৰু ‘সন্ত্রাসবাদী’ আখ্যা দি ভাৰতৰ পৰা প্রত্যার্পণৰ দাবী জনাইছে। আনহাতে, ডিচেম্বৰ মাহত বাংলাদেশলৈ উভতি আদালতত আত্মসমর্পণ কৰাৰ পৰিকল্পনা কৰিছে বুলি হাচিনাৰ দলৰ দাবী।

প্রকাশ: ৯ নৱেম্বৰ ২০২৬, আবেলি ৬:০০



Former Bangladesh prime minister Sheikh Hasina (APF)

বাংলাদেশৰ ৰাজনীতিত পুনৰ চর্চালৈ আহিছে প্রাক্তন প্রধানমন্ত্রী শ্বেখ হাচিনাৰ প্রত্যাৱর্তনৰ প্রশ্ন। ভাৰতত থকা হাচিনাই বাংলাদেশলৈ উভতি যোৱাৰ প্রস্তুতিৰ অংশ হিচাপে নতুন পাছপ’ট আৰু ৰাষ্ট্ৰীয় পৰিচয়-পত্র (NID) বিচাৰি আবেদন জনাইছে। কিন্তু তেওঁৰ এই আবেদন গ্রহণ কৰিবলৈ অস্বীকাৰ কৰিছে বাংলাদেশ চৰকাৰে।

হাচিনাৰ হৈ লণ্ডনস্থিত আইন প্রতিষ্ঠান Matrix Chambers-ৰ অধিবক্তাসকলে দিল্লীত থকা বাংলাদেশৰ উচ্চায়োগলৈ পত্র প্রেৰণ কৰি নতুন পাছপ’ট আৰু পৰিচয়-পত্র প্রদানৰ অনুৰোধ জনায়। আবেদনখনত উল্লেখ কৰা হৈছে যে তেওঁৰ পূর্বৰ পাছপ’ট আৰু NID বাতিল কৰা হৈছে। সেয়েহে বাংলাদেশী নাগৰিক হিচাপে প্রয়োজনীয় নথি পুনৰ প্রদানৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱা হৈছে।

© 2026 NewzNow

কিন্তু বাংলাদেশ চৰকাৰৰ স্থিতি স্পষ্ট। দেশখনৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী হুমায়ুন কবিৰে হাচিনাক ‘পলাতক অপৰাধী’ আৰু ‘সন্ত্ৰাসবাদী’ বুলি অভিহিত কৰি কয় যে বাংলাদেশে তেওঁক নতুন পাছপ’ৰ্ট প্ৰদান নকৰে। তেওঁৰ মতে, হাচিনাক বাংলাদেশলৈ ঘূৰাই অনাৰ বাবে ভাৰতৰ সৈতে থকা প্ৰত্যাৰ্পণ চুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰাটোহে চৰকাৰৰ লক্ষ্য।

ইফালে, হাচিনাৰ দল Awami League-ৰ তৰফৰ পৰা প্ৰকাশ পোৱা মতে, ডিচেম্বৰ মাহত বাংলাদেশলৈ উভতি গৈ আদালতত আত্মসমৰ্পণ কৰাৰ পৰিকল্পনা কৰিছে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে। অৱশ্যে প্ৰত্যাৱৰ্তনৰ তাৰিখ আৰু প্ৰয়োজনীয় আনুষ্ঠানিকতাৰ সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত প্ৰকাশ পোৱা নাই।

উল্লেখ্য, ২০২৪ চনৰ আগষ্ট মাহত ছাত্ৰ-নেতৃত্বাধীন গণ-আন্দোলনৰ পৰিপ্ৰেক্ষিতত ক্ষমতাচ্যুত হোৱাৰ পাছৰে পৰা ভাৰতত আছে শ্বেখ হাচিনা। ২০২৫ চনৰ নৱেম্বৰ মাহত বাংলাদেশৰ বিশেষ ন্যায়াধিকৰণে ২০২৪ চনৰ আন্দোলন দমনৰ সময়ত সংঘটিত হত্যাকাণ্ডৰ গোচৰত তেওঁৰ অনুপস্থিতিতে মৃত্যুদণ্ডৰ ৰায় প্ৰদান কৰিছিল। হাচিনাই অৱশ্যে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অস্বীকাৰ কৰি আহিছে।

এতিয়া প্ৰশ্ন হৈছে, বাংলাদেশ চৰকাৰৰ আপত্তি আৰু প্ৰত্যাৰ্পণৰ দাবীৰ মাজতে শ্বেখ হাচিনাৰ প্ৰত্যাৱৰ্তনৰ পৰিকল্পনা কিমান দূৰ আগবাঢ়ে। তেওঁৰ নতুন পাছপ’ৰ্টৰ আবেদন নাকচ হোৱাৰ পাছত এই বিষয়টোৱে ভাৰত-বাংলাদেশৰ কূটনৈতিক সম্পৰ্কতো নতুন চৰ্চাৰ সৃষ্টি কৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1559/sheikh-hasina-bangladesh-passport-application